بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**কোৰআন কৰিম, নবী কৰিম (ছাঃ)ৰ হাদীছ আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ উপদেশৰ আলোকত কোৰআন কৰিমৰ গুৰুত্ব, মহত্ব আৰু কল্যাণৰ অন্তৰ্দৃষ্টিসম্পন্ন বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৪ মাৰ্চ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ. بِسْمِ اللهِ الرَّحْمَٰنِ الرَّحِيمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আল্লাহ তা'লাৰ কৃপাত ৰমজানৰ দ্বিতীয় দশক আমি অতিবাহিত কৰি আছো। আল্লাহ তা'লাই ৰমজানৰ সৈতে কোৰআন কৰিমৰ বিশেষ সম্পৰ্ক আছে বুলি বৰ্ণনা কৰিছে। কৈছে ৰমজান মাহত কোৰআন মানুহৰ বাবে মহান হিদায়তৰ বাবে অৱতীৰ্ণ কৰা হৈছে আৰু এনে সুস্পষ্ট নিদৰ্শনৰ সৈতে য'ত হিদায়তৰ বিস্তাৰিত বিৱৰণ আৰু সঁচা আৰু মিছাৰ মাজত পাৰ্থক্য কৰা বিষয়াৱলী আছে। সেয়ে আমাক এই মাহত কোৰআন কৰিম অধিক পৰিমাণে পাঠ কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰা হৈছে।

এই যুগত হজৰত মছীহ মাওউদ (আঃ)য়েও ইয়াৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিছে আৰু আঁহজৰত (ছাঃ)য়েও ইয়াৰ প্ৰতি বিশেষ ভাৱে মনোযোগ আকৰ্ষণ কৰিছে যে এই কল্যাণময় মাহত অধিক পৰিমাণে কোৰআন কৰিম পাঠ কৰা উচিত। হজৰত জিব্ৰাইল (আঃ) য়ে প্ৰত্যেক বছৰ যিমানে কোৰআন মজিদ অৱতীৰ্ণ হৈ থাকিছিল সেয়া আঁহজৰত (ছাঃ)ৰ সৈতে এবাৰ পাঠ কৰি সম্পূৰ্ণ কৰিছিল, আৰু আঁহজৰত (ছাঃ)ৰ জীৱনৰ অন্তিম বছৰত দুবাৰকৈ কোৰআন কৰিম পাঠ কৰা হয়।

কোৰআন কৰিমৰ গুৰুত্ব আৰু ৰমজানৰ সৈতে ইয়াৰ সম্পৰ্ক অধিক বেছি। এই কথা আমি সদায় মনত ৰখা উচিত আৰু কোৰআন কৰিম পাঠ কৰা আৰু শুনাৰ প্ৰতি চেষ্টা কৰা উচিত। আমাৰ মছজিদ সমূহত কোৰআন কৰিমৰ দৰছৰ ব্যৱস্থা কৰা হয়, নামাজে তাৰাৱিৰ ব্যৱস্থা কৰা হয়, কোৰআন কৰিম পাঠ কৰাৰ প্ৰতি জোৰ দিয়া হয়, এম.টি,এত প্ৰতিদিন কোৰআন মজিদ পাঠ কৰাৰ প্ৰোগ্ৰাম আহি থাকে, সেয়া শুনা উচিত। কিন্তু কোৰআন কৰিমৰ প্ৰকৃত কল্যাণ তেতিয়া অৰ্জন হ'ব পাৰে যেতিয়া সেয়া শুনি ইয়াৰ ওপৰত পৰিচালিত হোৱাৰ চেষ্টা কৰিব। আল্লাহ তা'লাই কোৰআন কৰিমৰ আৰম্ভণিতেই কৈছে যে এইটো সেই গ্ৰন্থ

যাৰ মাজত কোনো সন্দেহ নাই, মুত্তাকি সকলৰ বাবে হিদায়ত আছে। গতিকে তাকওৱাৰ ওপৰত পৰিচালিত হোৱাৰ বাবে আৰু এজন প্ৰকৃত মোমিন হোৱাৰ বাবে আল্লাহ তা'লাই এই গ্ৰন্থৰ ওপৰত পৰিচালিত হোৱাটো জৰুৰী বুলি সাব্যস্ত কৰিছে। ৰমজানত প্ৰকৃত মোমিন হোৱাৰ বাবে বিশেষ মনোযোগ আকৰ্ষণ হয়, তাকওৱা অৱলম্বন কৰাৰ প্ৰতি বিশেষ চেষ্টা হৈ থাকে; আল্লাহ তা'লাই ইয়াৰ উপায় বুজাই দিছে যে যদি এই চেষ্টা আৰু ইচ্ছা আছে তেন্তে কোৰআন কৰিম অধিক পৰিমাণে পাঠ কৰা আৰু ইয়াৰ ওপৰত পৰিচালিত হোৱাৰ চেষ্টা কৰা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে কোৰআনৰ কল্যাণ আৰু আশীষ সদায় জাৰি আছে আৰু প্ৰত্যেক যুগত সেইটো প্ৰকাশমান আৰু উজ্জ্বল হৈ আছে যিদৰে আঁহজৰত (ছাঃ)ৰ যুগত আছিল। গতিকে ৰমজানত যিমানেই আমি কোৰআন কৰিম পাঠ কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰো সিমানেই ইয়াৰ শিক্ষাৰ ওপৰত পৰিচালিত হোৱাৰ প্ৰয়াস কৰা উচিত। ৰমজানত প্ৰতিজনে নিজৰ সামৰ্থ্য অনুসৰি কোৰআন কৰিম পাঠ কৰে, পৰিপূৰ্ণ কোৰআন যদিও এবাৰ পাঠ কৰি সম্পূৰ্ণ কৰিব নোৱাৰে তথাপি ৰমজানৰ দিনবোৰতে নিশ্চয় কিছু অংশ পাঠ কৰাৰ চেষ্টা কৰে। প্ৰতিজনে ৰমজান মাহত কোৰআন কৰিম কমপক্ষে এবাৰ সম্পূৰ্ণ ৰূপে পাঠ কৰাৰ চেষ্টা কৰা উচিত। এইদৰে কোৰআন কৰিমৰ অনুবাদ আৰু ব্যাখ্যা পঢ়াৰ প্ৰতি মনোযোগ দিয়া উচিত। ইয়াৰ ফলত ভাল-বেয়াৰ সঠিক জ্ঞান আহৰণ হয়।

কিছুমান লোকসকলে কয় যে কোৰআন কৰিম কঠিন গ্ৰন্থ, খোদা তা'লাই কয় যে কোৰআন কৰিম উপদেশৰ বাবে সহজ কৰি দিছোঁ, কোনোবা আছে নে উপদেশ গ্ৰহণ কৰোঁতা ? এইটো আল্লাহ তা'লাৰ দাবী, সেইজনাই কয় যে কোৰআন কৰিমত সহজ শিক্ষা প্ৰদান কৰা হৈছে। উপদেশ এইটো যে সেই শিক্ষা কাৰ্যক্ষেত্ৰলৈ অনাৰ বাবে সম্পূৰ্ণৰূপে চেষ্টা কৰা। খোদা তা'লাই কোৰআন কৰিম বুজোৱাৰ বাবে প্ৰতিটো যুগত শিক্ষক সৃষ্টি কৰিছে , বৰ্তমান যুগত সেইজনাই হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে যিয়ে আমাক সকলো কিছু বুজাই দিছে। গতিকে যদি আমি ইয়াৰ ওপৰত পৰিচালিত নহওঁ তেন্তে সেইটো দুৰ্ভগীয়া হ'ব।

এইদৰে খলিফাসকলে ব্যাখ্যা কৰিছে, হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে তফছিৰে কবিৰ লিখিছে, ইয়াত কোৰআন কৰিমৰ আধা ভাগৰ ব্যাখ্যা হৈছে, ইয়াৰ বাহিৰে আৰু অনুবাদ আৰু ব্যাখ্যা আছে। তফছিৰে ছগিৰ আছে, ইয়াতে বহু কথা আছে। জামাতৰ বিভিন্ন ভাষাত কোৰআন কৰিমৰ অনুবাদও হৈ আছে। ৰমজানত যেতিয়া আমি কোৰআন কৰিম পাঠ কৰাৰ চেষ্টা কৰো তেতিয়া অনুবাদ, তফছিৰৰ লগতে ইয়াৰ অৰ্থ আৰু নিৰ্দেশাৱলী বুজা আৰু ইয়াৰ ওপৰত পৰিচালিত হোৱাৰ বাবে চেষ্টা কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ল'ৰা-ছোৱালীৰ আমিন কৰাৰ বাবে লোকসকলে মোৰ ওচৰলৈ আহি থাকে, তেওঁলোকে মনত ৰখা উচিত যে ল'ৰা-ছোৱালীক কোৰআন পঢ়োৱাই আপোনালোকে নিজৰ দায়িত্ব পালন কৰিছে, কিন্তু ল'ৰা-ছোৱালীৰ মাজত কোৰআন কৰিম পাঠ কৰাৰ লগতে ইয়াৰ প্ৰতি উৎসাহ আৰু ভালপোৱাৰ সৃষ্টি কৰাটোও আপোনালোকৰ দায়িত্ব। প্ৰতিজন আহমদীয়ে এই কথাৰ প্ৰতি চিন্তা কৰা উচিত যে তেওঁলোকে নিজে তথা স্ত্ৰী আৰু ল'ৰা-ছোৱালীকও কোৰআন কৰিম পাঠ কৰাৰ প্ৰতি আৰু অনুবাদ পঢ়াৰ প্ৰতিও মনোযোগ আকৰ্ষণ কৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত কৈছে যে বেছিভাগ মুছলমান সকলে কোৰআন কৰিমক ত্যাগ কৰিছে তথাপি ইয়াৰ জ্যোতি, কল্যাণ আৰু প্ৰভাৱ সৰ্বদা জীৱিত আৰু সতেজ। অৰ্থাৎ মোক প্ৰমাণ হিচাপে প্ৰেৰণ কৰা হৈছে। কৈছে কোৰআন কৰিম ত্যাগ কৰি সফলতা অৰ্জন কৰাটো অসম্ভৱ আৰু কঠিন বিষয়। এনেকুৱা সফলতা কেৱল কাল্পনিক বিষয় যাৰ সন্ধানত লোকসকল নিপতিত আছে।

আঁহজৰত (ছাঃ)য়ে কৈছে যে যিজন মোমিন কোৰআন পাঠ কৰে আৰু ইয়াৰ ওপৰত পৰিচালিত হয় তেওঁৰ উদাহৰণ এনেকুৰা ফলৰ দৰে যাৰ সোৱাদ আৰু সুগন্ধি ভাল। সেইজন মোমিন যিয়ে কোৰআন পাঠ নকৰে আৰু ইয়াৰ ওপৰত পৰিচালিত হয় তেওঁৰ উদাহৰণ খেজুৰৰ নিচিনা যাৰ সোৱাদ ভাল কিন্তু ইয়াৰ সুগন্ধি নাই। এনেকুৰা কপট যিয়ে কোৰআন কৰিম পাঠ কৰে তেওঁৰ উদাহৰণ এনেকুৰা পুলিৰ দৰে যাৰ সুগন্ধি ভাল কিন্তু সোৱাদ তিক্ত। এনেকুৰা কপট যিয়ে কোৰআন পাঠ নকৰে তেওঁৰ উদাহৰণ এনেকুৰা ফলৰ দৰে যি তিক্ত আৰু যাৰ সোৱাদও তিক্ত আৰু সুগন্ধিও তিক্ত।

আন এটা বৰ্ণনাত আছে যে নবী কৰিম (ছাঃ)য়ে কৈছে যে লোকসকলৰ মাজত কিছুমান আল্লাহৰ মানুহ থাকে। বৰ্ণনাকৰীয়ে কৈছে যে আমি তেখেত (ছাঃ)ক সুধিলো যে খোদাৰ মানুহ কোন হয় ? তেখেত (ছাঃ)য়ে কৈছে যে কোৰআন পাঠ কৰোঁতা সকল আল্লাহৰ মানুহ আৰু সেইজনাৰ প্ৰিয় ভৃত্য। অৰ্থাৎ তেওঁলোকে কোৰআন পাঠ কৰে আৰু ইয়াৰ ওপৰত পৰিচালিত হয়। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, সফল সেইসকল লোক হ'ব যিসকলে কোৰআন কৰিমৰ ওপৰত পৰিচালিত হয়।

মুছলমান সকলৰ বৰ্তমান যি পৰিস্থিতি চাৰিওফালে বিশৃংখলা বিৰাজ কৰিছে, চৰকাৰ জনসাধাৰণৰ সৈতে যুঁজি আছে আৰু জনসাধাৰণে চৰকাৰৰ ওপৰত আক্ৰমণ চলাই আছে। এই সকলোবোৰ ঘটনা কোৰআন কৰিম পৰিত্যাগ কৰাৰ ফলাফল। কোৱা মতে উভয়ৰ হাতত কোৰআন আছে কিন্তু উভয়ে কোৰআনৰ শিক্ষাৰ পৰা বহু দূৰত। কোৰআন কৰিমৰ ওপৰত যদি পৰিচালিত হ'ল হয় তেন্তে এনেকুৰা কথা নহ'ল হয়। বৰ্তমান যুগত খোদা তা'লাই যিজন প্ৰতিনিধি প্ৰেৰণ কৰিছে সেইজনক তেওঁলোকে অস্বীকাৰ কৰি বহিছে। তেখেতক স্বীকাৰ কৰাৰ বাবে প্ৰস্তুত নহয়, এনে ক্ষেত্ৰত এওঁলোকে কোৰআনৰ পৰা উপকৃত হ'ব নোৱাৰে।

হুজুৰ (আঃ)য়ে কৈছে স্মৰণ ৰখা ! কোৰআন কৰিম প্ৰকৃত কল্যাণৰ কেন্দ্ৰবিন্দু আৰু মুক্তিৰ প্ৰকৃত উপায়। যিসকলে কোৰআনৰ ওপৰত পৰিচালিত নহয় এয়া তেওঁলোকৰ নিজৰেই ভুল...এতিয়া তেওঁলোকৰ বাবে জৰুৰী যে তেওঁলোকে এই নিজৰাক মহান অনুগ্ৰহ বুলি ভাৱি লওঁক আৰু ইয়াৰ সন্মান কৰক। ইয়াৰ সন্মান বুলিলে এইটোক বুজায় যে কোৰআনৰ শিক্ষাৰ ওপৰত পৰিচালিত হোৱা তাৰ পাছত চাব যে খোদা তা'লা কেনেকৈ তেওঁৰ বিপদ আৰু অসুবিধা সমূহ আঁতৰ কৰি দিয়ে।

মুছলমান সকলৰ পৰিস্থিতি এনেকুৰা যে তেওঁলোকে কোৰআন কৰিমৰ শিক্ষাৰ পৰা আঁতৰি গৈ আছে, কোৰআন কৰিম তেওঁলোকে পৰিত্যাগ কৰিছে , ইয়াৰ ওপৰত পৰিচালিত নহয়; কোৰআন কৰিমৰ প্ৰতি ভালপোৱাৰ কেৱল দাবী কৰে। পাকিস্তানত তেওঁলোকে আহমদী সকলক কোৰআন কৰিম পাঠ কৰাৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে, কিন্তু তেওঁলোকে (বিৰোধীসকলে) ইয়াৰ ওপৰত পৰিচালিত নহয়। আহমদীসকলৰ ওপৰত যিমানেই নিষেধাজ্ঞা জাৰি নকৰক কিয় কোৰআন কৰিমৰ শিক্ষা আমাৰ হৃদয়ৰ পৰা আঁতৰাব নোৱাৰে, তেওঁলোকে যিমানে জোৰ লগাওক, কোৰআন কৰিমৰ প্ৰতি ভালপোৱা আমাৰ হৃদয়ৰ পৰা আঁতৰাব নোৱাৰে।

গতিকে বৰ্তমান যুগত বহু ডাঙৰ দায়িত্ব আহমদীসকলৰ ওপৰত; আহমদীসকলৰ দায়িত্ব যে সিহঁতে কোৰআন কৰিমৰ ওপৰত পৰিচালিত হওঁক যাতে অমুছলিম জগতে তেওঁলোকৰ আচৰণ চাই বুজিব পাৰে যে প্ৰকৃত ইছলামৰ শিক্ষা কি আৰু কোৰআন কৰিমৰ নিৰ্দেশাৱলী কি ? এইটো হৈছে শান্তি, প্ৰেম, আৰু ভালপোৱাৰ নিৰ্দেশাৱলী; এইটো পৰিৱেশত ভাতৃত্ববন্ধন বিস্তাৰ লাভ কৰাৰ নিৰ্দেশাৱলী, এইটো ভৃত্যসকলৰ অধিকাৰ পালন কৰাৰ নিৰ্দেশাৱলী। গতিকে আহমদী সকলে এইফালে অধিক বেছি গুৰুত্ব দিয়াৰ প্ৰয়োজন। এটা বৰ্ণনাত আছে যে এবাৰ জিব্ৰাইল (আঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰলৈ আহি কয় যে অচিৰেই বহু

ফিৎনা (বিশৃংখলা) সৃষ্টি হ'ব। সোধা হয় যে এই ফিৎনাৰ সমাধানৰ উপায় কি ? জিব্রাইল (আঃ)য়ে কয় যে এই ফিৎনাৰ সমাধানৰ উপায় হৈছে আল্লাহৰ গ্ৰন্থ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আমি নিজে তথা নিজৰ সন্তান-সন্ততিক ৰক্ষাৰ বাবে আল্লাহৰ গ্ৰন্থৰ প্ৰতি গুৰুত্ব দিয়াৰ প্ৰয়োজন, তেতিয়াহে আমি হিদায়ত লাভ কৰিব পাৰিম আৰু ফিৎনা-ফাছাদৰ পৰা ৰক্ষা পাব পাৰিম তথা ইয়াৰ নিৰ্দেশাৱলী বুজিব পাৰিম যি আল্লাহ তা'লাই আমাৰ বাবে অৱতীৰ্ণ কৰিছে।

নবী কৰিম (ছাঃ)য়ে কৈছে যে কোৰআন বাহ্যিক ভাৱে পাঠ কৰা সকল বাহ্যিক দান-বৰঙণি দিয়া সকলৰ দৰে আৰু কোৰআন গোপন ভাৱে পাঠ কৰা সকল গুপ্তভাৱে দান-বৰঙণি দিয়া সকলৰ দৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মনত ৰখা উচিত যে এইটোও বৰ্ণনাত উল্লেখ আছে যে দান-বৰঙণিয়ে বিপদ আৰু ফিৎনা দূৰ কৰে। কোৰআন কৰিম এইদৰে পাঠ কৰা যাতে বুজি পোৱা তেতিয়া দান-বৰঙণিৰ দৰেই গ্ৰহণ হ'ব আৰু ইয়াৰ কল্যাণৰ দ্বাৰা মানুহে সমূহ ফিৎনাৰ পৰা ৰক্ষা পাব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যেতিয়া হৃদয় কঠোৰ হৈ পৰে সেয়া কোমল কৰাৰ উপায় এইটো যে কোৰআন কৰিম বাৰে বাৰে পাঠ কৰিব, য'ত য'ত দোৱা আছে তাতে মোমিন সকলৰ হৃদয়ে বিচাৰে যে এই ঐশ্বৰিক দয়া মোৰ সৈতেও হওঁক। কোৰআন কৰিমৰ উদাহৰণ এটা বাগিচাৰ নিচিনা। সেই বাগিচাৰ কোনো ঠাইৰ পৰা মানুহে কোনো প্ৰকাৰ ফল বাচি লয়, আকৌ আগবাঢ়ি গৈ আন প্ৰকাৰ ফল বাচি লয়। গতিকে প্ৰত্যেক ঠাইৰ পৰা প্ৰয়োজন অনুসৰি উপকৃত হয়।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ৰমজানৰ দিনবোৰত যিদৰে আমি বিশেষকৈ কোৰআনৰ প্ৰতি মনোযোগ দিওঁ সেইদৰে এই অংগীকাৰ কৰিব যে এই মনোযোগ চিৰস্থায়ী প্ৰতিষ্ঠিত ৰাখিম আৰু ইয়াৰ ওপৰত পৰিচালিত হোৱাৰ বাবে গুৰুত্ব দিম তথা নিজৰ ল'ৰা-ছোৱালীকও কোৰআন পাঠ কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিম। যেতিয়া এনেকুৱা হ'ব তেতিয়া আমাৰ জীৱন সদায় সফলতা লাভ কৰিব পাৰিব। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 14 MARCH 2025**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB